# অশোকৰ অনুশাসন

## (গির্নাৰ শিলালিপি ঃ ১-৪)

অশোকৰ অনুশাসন বোৰক সাহিত্যৰ শ্ৰেণীভুক্ত কৰা নহয় যদিও, এই অনুশাসনবোৰৰ জৰিয়তে মানুহৰ মাজত নৈতিক ধৰ্মজ্ঞান প্ৰচাৰ কৰাৰ এক মহান উদ্দেশ্য পৰিলক্ষিত হয়। তদুপৰি প্ৰাকৃত ভাষাৰ প্ৰাচীনতম্ নিদৰ্শনো ইয়াত জিলিকি আছে। সম্ভৱত ভাৰতীয় লিপি আৰু গদ্যৰ প্ৰাচীন চানেকি এইবোৰে সুস্পষ্ট ৰূপত আমাক দিব পাৰিছে।

অশোকৰ দিনলৈকে উৎসৱ-সমাৰোহ (সমাজ) বোৰত মল্লযুদ্ধ, দৌৰ প্ৰতিযোগিতা, জুৱা, নৃত্য-গীত আদিৰ পৰ্যাপ্ত পৰিমাণত প্ৰচলন আছিল। সেইবোৰ মদ্যপান, মাংসভোজন আদি নিঃসঙ্কোচে চলিছিল। শিলালিপিবোৰত এনে সমাৰোহক নিন্দা কৰা হৈছে। মূল বক্তব্য বিষয় হ'ল জীৱ হত্যা যে বেয়া, সেইকথা জন-সাধাৰণৰ জ্ঞাতাৰ্থে প্ৰচাৰ কৰা।

## গির্নাৰ শিলালিপি—১

ইয়ং ধংমলিপী দেৱানং প্ৰিয়েন প্ৰিয়দসিনা ৰাঞা লেখাপিতা। ইধ ন কিংচিজীৱং আৰভিত্পা প্ৰজূহিতৱং ন চ সমাজো কতৱ্যো। বহুকং হি দোসং সমাজম্হি পসতি দেৱানং প্ৰিয়ো প্ৰিয়দসি ৰাজা। অস্তি পি তু একচা সমাজা সাধুমতা দেৱানং প্ৰিয়স প্ৰিয়দসিনো ৰাঞো।

পুৰা মহানসম্হি দেৱানং প্ৰিয়স প্ৰিয়দসিনো ৰাঞো অনুদিৱসং বহূনি প্ৰান সতসহস্ৰানি আৰভিসু সূপাথায়। সে অজ য়দা অয়ং ধংসলিপী লিখিতা তী এৱ প্ৰানা আৰভৰে সুপাথায় দ্বো মোৰা একো মগো। সো পি মগো ন ধ্ৰুৱো এতে পি ত্ৰী প্ৰাণা পছা ন আৰভিসৰে।

**অনুবাদ ঃ** দেৱতাসকলৰ প্ৰিয় ৰজা প্ৰিয়দৰ্শীৰ দ্বাৰাই এই ধৰ্মলিপিখন লেখা হৈছে।

ইয়াত (মোৰ ৰাজ্য/অঞ্চলত) কোনো প্ৰাণীকেই বধ কৰা নহব বা উছৰ্গা হিচাপে বলি দিব নোৱাৰিব আৰু কোনো উৎসয় সমাৰোহ অনুষ্ঠিত হব নোৱাৰিব। দেৱতা সকলৰ প্ৰিয়, ৰজা প্ৰিয়দৰ্শীয়ে উৎসৱ-সমাৰোহত দোষ দেখা পায়। (অৰ্থাৎ প্ৰিয়দৰ্শীয়ে এনে

ভাল নাপায়)। কিন্তু এনে কিছুমান উৎসৱ-সমাৰোহ আছে যিবোৰ দেৱতাৰ প্ৰিয়, ৰজা প্ৰিয়দৰ্শীয়ে অনুমোদন জনাইছে।

দেৱতাৰ প্ৰিয়, ৰজা প্ৰিয়দৰ্শীৰ ৰন্ধন শালত আগতে ৰন্ধনকাৰ্যৰ নামত কেইবা হাজাৰো জন্তু বধ কৰা হৈছিল। কিন্তু এতিয়া এই লিপি লেখা সময়ত, মাত্ৰ তিনিটা জন্তুহে ব্যঞ্জনৰ বাবে বধ কৰা হয়। যেনে দুটা ময়ুৰ আৰু এটা হৰিণ। কিন্তু সেয়াও সদায় নহয়। ভৱিষ্যতে, এই তিনিটা জন্তুও আনকি বধ কৰা নহ'ব।

**শব্দাৱলীৰ টোকা ঃ**

ইধ<ইহ; হ>ধ—স্বৰ মধ্যস্থিত 'হ'-কাৰ, ধ-কাৰত পৰিণত; ইয়াত দেৱানং প্ৰিয়েন<দেৱানং প্ৰিয়েন, দেৱতা সকলৰ প্ৰিয়

ৰাঞা<ৰাজ্ঞা, জ্ঞ>ঞ,=ৰজাৰ দ্বাৰা

ইয়ং<ইদম্, অন্ত্য হসন্ত ম্>ং=এই

আৰভিতপা<আলভ্য (আ লভ্ + য়হ (য়)>আ-ৰভ + তপা = আৰভিতপা; বধকৰি, পূজাৰ বাবে হত্যা কৰি বলি দিয়া।

কিংচি<কশ্চিৎ, শচ>ংচ অন্ত্য ব্যঞ্জন 'ৎ'-ৰ লোপ, কোনো এক বা এটা।

সমাজো<সমাজঃ; ঃ>ও, সমাৰোহ।

সমাজম্হি<সমাজস্মি; স্মি>ম্হি দক্ষিণ-পশ্চিমাৰ বৈশিষ্ট্য; সমাৰোহত।

পসতি<পশ্যতি; শ্য>স্স>স; দেখিবলৈ পাইছে।

ৰাঞো<ৰাজ্ঞাঃ; ঃ>ও; ৰজাৰ দ্বাৰা।

সূপাথায় = সূপঃ—ব্যঞ্জন।

অজ<অদ্য; দ্য>জ, জ্জ—এতিয়া।

দ্বো<দ্বৌ; ঔ>ও; দুটা।

একো<একঃ; ঃ>ও; এটা।

অয়ং<ইদং<ইদম্>ইম-পুংলিঙ্গ-স্ত্ৰীলিঙ্গ, তৃতীয় পুৰুষৰ একবচন; এই, এইটো।

মগো<মৃগঃ; শব্দৰ আদি ব্যঞ্জনযুক্ত ঋ-কাৰৰ লোপ, ঃ>ও, হৰিণ।

তি<ইতি; আদি স্বৰৰ লোপ; ইমানেই

পছা<পশ্চাৎ; শ্চ>চ্ছ>ছ, অন্ত্য হসন্ত ব্যঞ্জন 'ৎ' ৰ লোপ, পিছত।

আৰভিসৰে<আলপস্যন্তে; ভৱিষ্যত কালৰ বহুবচন; বধ কৰা।